# জন সম্পদৰ ভিন্নমুখিতা আৰু আমাৰ সমাজ

অৰ্থশাস্ত্ৰৰ ধ্যান-ধাৰণামতে কোনো অঞ্চলৰ বৈষয়িক উন্নয়ন নিৰ্ভৰ কৰা উপাদানসমূহৰ ভিতৰত জন সম্পদৰ ভিন্নমুখিতা অন্যতম। কোনো জনসমষ্টিৰ বিভিন্ন দিশৰ সৰ্বোচ্চ জ্ঞান আহৰণ, কৰ্ম্ম কৌশল আয়ত্বকৰণ আৰু নিয়োজিত হ'ব পৰাৰ উপযুক্ততা অৰ্জনে জনসম্পদৰ ভিন্নমুখিতাৰ স্বৰূপ দাঙি ধৰে। জনসম্পদৰ বৰ্ধিত ভিন্নমুখিতাৰ সৈতে বৈষয়িক উন্নয়নৰ পোনপটীয়া সম্পৰ্ক বিদ্যমান। অৰ্থাৎ অধিক ভিন্নমুখী জনসম্পদে অধিক বৈষয়িক উন্নতি সাধন কৰে। সহজ ভাষাত ক'বলৈ হ'লে কথাটো এনেদৰে বুজা যায় যে বিভিন্ন দিশৰ অধিক শিক্ষিত আৰু কৰ্মকুশলী লোকৰ সৰহ অনুপাতে নিৰ্দিষ্ট অঞ্চল বা জনসমষ্টিৰ আৰ্থ-সামাজিক উন্নয়ন প্ৰভাৱিত কৰে। সেইবাবে আধুনিক ধাৰণামতে জনসম্পদক উন্নয়নৰ সৰ্বপ্ৰথম আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ উৎস বুলি গণ্য কৰা হয়। সেয়ে সকলো দেশ আৰু জাতিয়ে অৰ্থনৈতিক বিকাশৰ নীতিত জনসম্পদক সৰ্বাধিক প্ৰাধান্য দি আহিছে। মন কৰিবলগীয়া যে গুৰুত্বপূৰ্ণ এই জনসম্পদৰ যথোপযুক্ত উন্নয়নৰ আটাইতকৈ গুৰুত্বপূৰ্ণ উৎস হ'ল জনসম্পদৰ আনুষ্ঠানিক শিক্ষাপ্ৰাপ্তি। কোনো জনসমষ্টিৰ শতকৰা হিচাপত শিক্ষাপ্ৰাপ্তি স্তৰৰ অনুপাত পাৰ্যালোচনা কৰিলে সেই জনসমষ্টিৰ উন্নয়ন স্তৰ সহজে পৰিমাপ কৰিব পাৰি। কোনো জন সমষ্টিৰ পুৰুষ-মহিলাৰ সাক্ষৰতা, বৃত্তিমুখী শিক্ষাপ্ৰাপ্ত (ডাক্তৰ, ইঞ্জিনিয়াৰ, আইনজ্ঞ, প্ৰযুক্তিবিদ আদি), কলা-বিজ্ঞান -বাণিজ্যৰ শিক্ষাপ্ৰাপ্ত লোক আদিৰ সন্তোষজনক সংখ্যাই নিৰ্দিষ্ট

জনসমষ্টিৰ উন্নয়ন স্তৰৰ ইংগিত দিয়ে। সেইবাবে মানৱ সমাজৰ স্বাভাৱিক উত্তৰণৰ বাবে যুগে যুগে সকলো সমাজত শিক্ষাৰ প্ৰসাৰ আৰু বিস্তাৰৰ প্ৰচেষ্টাই প্ৰাধান্য পাই আহিছে।

সভ্যতাৰ আৰম্ভণিৰ পৰাই অনুসন্ধিৎসু আৰু জ্ঞান পিপাসু মানৱ সমাজে জ্ঞান আহৰণৰ লগতে ইয়াৰ চৰ্চা আৰু প্ৰয়োগ কৰি বিস্তৃত আনুষ্ঠানিক শিক্ষা ব্যৱস্থা গঢ়ি তুলিছে। পাতনিতে প্ৰধানতঃ আধ্যাত্মিক ভাৱাদৰ্শেৰে সমাজৰ সমূহীয়া হিতাৰ্থে জ্ঞান আহৰণ আৰু সেইবোৰৰ চৰ্চা হ'ব ধৰে যদিও পৰৱৰ্ত্তী সময়ত বৈষয়িক পঠনীয় দিশবোৰ সামৰি আধুনিক শিক্ষা প্ৰচলন হ'ব ধৰে। এই প্ৰক্ৰিয়াত সমাজৰ পৰিবৰ্ত্তিত প্ৰয়োজনৰ লগত খাপ খুৱাই ভিন্নমুখী জ্ঞান সমৃদ্ধ বিষয় সমূহকো আনুষ্ঠানিক শিক্ষাত অন্তৰ্ভূক্ত কৰিব ধৰা হয়। উল্লেখযোগ্য যে শিক্ষা আহৰণ প্ৰসঙ্গত মুছলমান সকলৰ মাজত বেচৰকাৰী পৰ্য্যায়ৰ মাদ্ৰাছা আৰু মোক্তাৱ পৰম্পৰা অতি প্ৰাচীন যদিও আজিকোপতি এইবোৰৰ অধিকাংশই আধুনিক শিকন পাঠ্যক্ৰম আকোঁৱালী লোৱা নাই।

পৰিবৰ্ত্তিত পৰিস্থিতিৰ লগত খাপ খুৱাই যি জাতি বা সমাজে ধাৰাবাহিক ভাবে শিক্ষা আহৰণ আৰু চৰ্চাৰ পৰম্পৰা গতিশীল কৰি ৰাখিছে সেই জাতিয়ে উন্নয়নৰ জোখত শীৰ্ষস্থান পাইছে। সম্প্ৰতি উন্নয়নৰ উচ্চ শিখৰত আৰোহণ কৰা ইংৰাজ জাতি ইয়াৰ স্পষ্ট উদাহৰণ। এই জাতিৰ লোকৰ জীৱিকাৰ ভিন্নতাই জনসম্পদৰ চৰম ভিন্নমুখিতাৰ উৎকৃষ্ট নিদৰ্শন। এই জনসমষ্টিৰ লোকসকল কোন কি কি কামত নিয়োজিত তাৰ লেখ উলিওৱা কঠিন। কৃষক, উদ্যোগী, শিক্ষাকৰ্মী, স্বাস্থ্যকৰ্মী, কাৰিকৰি জ্ঞান সম্পন্ন বৃত্তিমুখী কৰ্মী, আইন কৰ্মী, খেলুৱৈ, সুকুমাৰ কলা কৰ্মী, ইত্যাদি লোকৰ আশানুৰূপ অনুপাতেহে এক নিৰ্দিষ্ট গোট জন সম্পদৰ ভিন্নমুখিতাৰ স্বৰূপ নিৰূপন কৰে। উল্লেখিত প্ৰতিটো ক্ষেত্ৰৰ ধনাত্মক অনুপাত সকলো সমাজৰ বাবে কাম্য। কিন্তু বিভিন্ন প্ৰতিকূলতাৰ বাবে অনেক গুৰুত্বপূৰ্ণ দিশত অঞ্চল তথা জাতিভিত্তিক তাৰতম্য দেখা যায়। এনে প্ৰেক্ষাপটত গোৱালপাৰা জিলাৰ পূব প্ৰান্ত আৰু দক্ষিণ কামৰূপ গ্ৰাম্য জিলাৰ পশ্চিম প্ৰান্ত চুই থকা কেইখন মান মুছলমান বসতিপূৰ্ণ গাঁৱৰ জনসম্পদৰ ভিন্নমুখিতাৰ পৰ্য্যায় পৰ্য্যালোচনা কৰিলে শিক্ষাপ্ৰাপ্তিৰ নিম্ন স্তৰেই উন্নয়নৰ

প্ৰধান অন্তৰায় হিচাপে ওলাই পৰে।

উল্লেখিত অঞ্চলৰ বৰদল গাঁওখনক কেন্দ্ৰ কৰি প্ৰথম মহাসমৰকালিন প্ৰেক্ষাপটত "কামৰূপ-গোৱালপাৰা আঞ্জুমানে নছ্ৰাতুল ইছলাম" নামে এটি স্বেচ্ছাসেৱী অনুষ্ঠান গঢ়ি তোলা হৈছিল। জিলা দুখনৰ সীমামূৰীয়া অঞ্চলৰ ইছলাম ধৰ্মীয় লোকসকলৰ আচাৰ-আচৰণ, শিক্ষা, সমাজ সংস্কাৰমূলক কামকাজ, অন্য জনগোষ্ঠীৰ সৈতে সম্পৰ্ক আদি সুচাৰুৰূপে আগুৱাই নিবলৈ এনে স্বেচ্ছাসেৱী অনুষ্ঠানৰ জন্ম দিয়া হৈছিল। সভ্যতাৰ ধাৰাবাহিকতা ৰক্ষাৰ্থে পুৰ্ব-পুৰুষসকলে পালন কৰি যোৱা অহোপুৰুষাৰ্থৰ যথাযথ মূল্যায়ন নিৰ্মোহ ভাবে নকৰিলে পিছৰ প্ৰজন্মৰ দ্বাৰা চৰম গাফিলতি কৰাহে সুচাব। সেইবাবে বৰ্ত্তমান পুৰুষে সমাজ বিৱৰ্ত্তনৰ নানা দিশ গভীৰ ভাৱে পৰ্য্যালোচনা কৰি সময়ৰ লগত খাপ খোৱা বাতাবৰণ সৃষ্টিৰ পদক্ষেপ লোৱাৰ সময় সমাগত। ভৱিষ্যত প্ৰজন্ম যাতে আনতকৈ শিক্ষা-দীক্ষাৰ দৈন্যত নিমজ্জিত হ'বলগীয়া নহয় তাৰ বাবে বিস্তৃত কৌশল ৰচিব লাগিব। সমাজ বিৱৰ্ত্তনৰ গতিশীলতা ৰক্ষাৰ বাবে জনসম্পদ গাঁঠনিৰ পৰ্যালোচনা আৰু আনুষ্ঠানিক ভাবে দিশ নিৰ্ণয়ৰ নিদান দিব পৰা ক্ষমতা এনেবোৰ অনুষ্ঠানে অৰ্জন কৰিব লাগিব। ইয়াৰ অন্যথাই এনেবোৰ অনুষ্ঠানৰ সময়োপযোগিতা ম্লান হৈ যাব।

উল্লেখযোগ্য যে নানা জনগোষ্ঠীৰ মিলনভূমি এই অনুষ্ঠানৰ অধীনৰ গাঁও সমূহৰ জনসাধাৰণৰ বসবাসৰ পাতনিৰ পৰাই এক মিশ্ৰিত সাংস্কৃতিক পৰম্পৰাৰ মাজত মিলা-প্ৰীতিৰে সমাজ পাতি থকাৰ ঐতিহ্য নতুনকৈ ব্যাখ্যা কৰাৰ প্ৰয়োজন নাই। যুগে যুগে এই অঞ্চলত বসবাস কৰি থকা ৰাভা, বড়ো, কলিতা, কায়স্থ, কোচ ৰাজবংশী, অনুসূচীত জাতি আদিৰ মাজত মিশ্ৰিত হৈ থকা মুছলমান সকল সুকীয়াকৈ উন্নতিৰ জখলাত আনতকৈ আগবাঢ়ি যাব পৰা কথাটো অকল্পনীয়। অভিন্ন আৰ্থ-সামাজিক ভেটিৰ ওপৰত সমগ্ৰ অঞ্চলৰ জনসাধাৰণৰ উত্তৰণ নিৰ্ভৰশীল। সেইবাবে এই গাঁওসমূহৰ প্ৰায়বোৰ জনগোষ্ঠীৰ মানৰ সম্পদৰ উন্নয়ন স্তৰ প্ৰায় একে। তৎস্বত্বেও শতিকা পূৰ্বে সংগঠিত ৰূপত ধৰ্মীয়-শৈক্ষিক বাতাবৰণ উন্নয়ন প্ৰচেষ্টাৰে সংঘবদ্ধ হোৱা মুছলমান গাঁওসমূহৰ উন্নয়নৰ প্ৰধান সূচক শিক্ষা প্ৰাপ্তিৰ স্তৰ তেনেই পুতৌ লগা। আলোচ্য

জনসম্পদৰ ভিন্নমুখিতা বিষয়টো "কামৰূপ-গোৱালপাৰা আঞ্জুমানে নছ্ৰাতুল ইছলাম" অনুষ্ঠানটিৰ সৈতে সংপৃক্ত কৰি ইয়াৰ অধীনৰ ১৭ খন মুছলমান গ্ৰাম্য সমাজৰ জনসম্পদত এভুমুকি মাৰিলে ইয়াৰ স্বৰূপ ওলাই পৰে। প্ৰায় ২০০০ গৃহস্থ থকা এই গাঁওসমূহত প্ৰায় ৬৫০০ জনসংখ্যা আৰু তাৰ প্ৰায় ৯৫ শতাংশ সম্পূৰ্ণ কৃষিজীৱি। বাকী ৫ শতাংশ লোকৰ নগণ্য অংশ চাকৰিজীৱি, ক্ষুদ্ৰ ব্যৱসায়ী আৰু কিছু অংশ উদ্যোগী যদিও কোনো ধৰণৰ লেখত ল'বলগীয়া নহয় অথবা স্থায়ী উদ্যোগী নাই। এই গাঁও কেইখনৰ মুঠ জনসংখ্যাৰ প্ৰায় ৩৫০০ গৰাকী ১৮ বছৰ বয়সোৰ্ধ অৰ্থাৎ প্ৰাপ্তবয়স্ক। প্ৰাপ্ত বয়স্ক মুঠ জনসংখ্যাৰ ভিতৰত সম্প্ৰতি চিকিৎসা শাস্ত্ৰৰ স্নাতক আৰু স্নাতকোত্তৰ এজনকৈ, অধ্যয়নৰত দুই গৰাকীৰ তথ্য পোৱা যায়। কাৰিকৰি শিক্ষাৰ স্নাতক এগৰাকী, ২/৩ গৰাকীমান আইনজ্ঞ, ৮/১০ গৰাকীমান স্নাতকোত্তৰ, ৬০/৭০ গৰাকী মান সাধাৰণ কলা, বাণিজ্য আৰু বিজ্ঞানৰ স্নাতকেৰে এই জনসমষ্টি সমৃদ্ধ। মুঠ প্ৰাপ্ত বয়স্কলোকৰ ভিতৰত শিক্ষা প্ৰাপ্তিৰ উচ্চতৰ মাধ্যমিকোত্তৰ পৰ্য্যায়ৰ নিম্ন অনুপাতে প্ৰতিপন্ন কৰে যে শতিকা জুৰি সংগঠিত ৰূপত থকাৰ পিছতো এই অঞ্চলৰ মুছলমান সকল শিক্ষাত পিছুৱাই আছে।

মনকৰিবলগীয়া যে শিক্ষা বিস্তাৰৰ বুনিয়াদী স্তৰ সুদৃঢ় হ'লেহে উচ্চ স্তৰৰ শিক্ষাপ্ৰাপ্ত লোকৰ সংখ্যা সমাজত বৃদ্ধি হোৱাৰ সম্ভাৱনা থাকে। আমাৰ সামাজিক পৰিকাঠামো আৰু মানসিক অৱস্থাই ঘাইকৈ শিক্ষা প্ৰাপ্তিৰ নিম্ন হাৰৰ প্ৰধান কাৰক। সেই হেতু এই জনসমষ্টিৰ জনসম্পদৰ ভিন্নমুখিতা নিম্ন পৰ্য্যায়তে পৰ্য্যবসিত হৈ আছে। আলোচ্য অঞ্চলৰ প্ৰেক্ষাপটত শিক্ষাপ্ৰাপ্তিৰ প্ৰতিকুলতাৰ অনেক কাৰণৰ ভিতৰত সহজে স্পষ্ট হোৱা প্ৰধান দুটা দিশ পৰ্য্যালোচনা কৰাৰ বাবে প্ৰয়াস কৰা হৈছে।

কোনো অঞ্চল বা দেশ এখনৰ সামগ্ৰিক উন্নয়নৰ প্ৰধান উপাদান শিক্ষা বুলি গণ্য কৰা হয়। ইছলামিক দৰ্শনত সেইবাবে শিক্ষা আহৰণৰ হেতু যিকোনো প্ৰতিকুলতাৰ মুখামুখী হোৱাৰ বিধান দিয়া আছে। এনে বিধানৰ কথা আমাৰ সমাজত সততে আওৰোৱা হয়। কিন্তু অভিভাৱক সকলে দায়িত্ব পালনৰ ক্ষেত্ৰত গা এৰা দিয়া দেখা যায়। সামান্য আৰ্থিক অনাটন বা সন্তানৰ দুষ্টামী

নিয়ন্ত্ৰণ কৰাত অপাৰগ হ'লে বিনা খৰছত সহজ লভ্য খাৰিজী পঢ়োৱাৰ প্ৰতি আমাৰ প্ৰৱনতা অধিক দেখা যায়। প্ৰয়োজনীয়তা অনুসৰি খাৰিজী পঢ়োৱাত আপত্তি কৰিব লগীয়া নাথাকে যদিহে পৰিকল্পনা অনুসৰি তেনে কৰা হয়। সমাজখনৰ স্বাভাৱিকতা ৰক্ষাৰ বাবে খাৰিজী জ্ঞানেৰে সমৃদ্ধ লোকৰো প্ৰয়োজন আছে। অনেক ক্ষেত্ৰত দেখা যায় যে ঠেলামৰা প্ৰৱনতাৰে খাৰিজী দিশত পঢ়িবলৈ দি সন্তানক নিস্কৰ্মা তৈয়াৰ কৰা হৈছে। খাৰিজী দিশত অধ্যয়ন কৰিবলগীয়া পাঠ্যক্ৰম সমূহ বিশেষকৈ ধৰ্ম্মীয় আদব-কায়দা, ধৰ্ম্মীয় বিধি-বিধান আদি বিষয়কেন্দ্ৰিক। ইবোৰ বিষয়ো জ্ঞানকেন্দ্ৰিক বাবে শিক্ষাৰ অন্তৰ্ভুক্ত যদিও আমাৰ জনসম্পদ অনুসৰি অনুপাত অধিক হোৱা যেন লাগে। কাৰণ এনে শিক্ষা আধাতে সামৰি খাৰিজীৰ অলপো চৰ্চ্চা নৰখা ব্যক্তিৰ অনেক উদাহৰণ আমাৰ সমাজত বিদ্যমান। খাৰিজী জ্ঞান আহৰণ কৰি অনেকে বিভিন্ন সমাজত ইমামৰ দায়িত্ব পালন কৰি থকা দেখা যায়। প্ৰকৃতাৰ্থত ইমাম একোজন ধৰ্ম্মীয় নেতা হোৱাৰ উপৰিও সামাজিক নেতৃত্ব দিব পৰা ক্ষমতাৰো অধিকাৰী হোৱা বাঞ্চনীয়। সেইবাবে এনে সন্মানীয় ব্যক্তি সকলৰ সাধাৰণ সকলো বিষয়ৰ ন্যুনতম নেতৃত্ব দিব পৰা গুণৰ অধিকাৰী হোৱা কাম্য। কিন্তু অনেক ক্ষেত্ৰত দেখা যায় যে এইসকলৰ আন বিষয়ৰ জ্ঞানৰ বেলিকা দীনতাই বেছি। অধ্যয়ন কৰি অহা খাৰিজী পাঠ্যক্ৰমৰ পৰিসীমা নিৰ্দ্দিষ্ট গণ্ডীৰ ভিতৰত থাকে বাবে সৰহ সংখ্যক এনে শিক্ষাৰে শিক্ষিত ব্যক্তিৰ ধ্যান ধাৰণা নিৰ্দিষ্ট গণ্ডীতে সীমিত হৈ থাকে। অতি সম্প্ৰতি অসম চৰকাৰৰ তৎপৰতাত খাৰিজী মাদ্ৰাছাবোৰত সাধাৰণ বিষয়ৰ পাঠ্যক্ৰম অন্তৰ্ভূক্ত কৰি নতুন ই, ভি, (Education Volunteer) কৰ্ম্মীৰ নিয়োগেৰে উক্ত দিশ মেৰামতি কৰাৰ ব্যৱস্থা কৰা হৈছে। তৎসত্বেও চিন্তাশীল ব্যক্তি সকলে এই দিশত অধিক চিন্তা চৰ্চ্চা কৰাৰ প্ৰয়োজন আছে। উল্লেখ্য যে অন্তৰিকতাৰে খাৰিজীত পঢ়ুৱাব খোজা অভিভাৱক সকলে অনুসন্ধান কৰিলে খাৰিজী শিক্ষাৰ সমান্তৰালকৈ একেলগে সাধাৰণ শিক্ষাৰ ব্যৱস্থা থকা শিক্ষানুষ্ঠানো বিচাৰি পাব। তেনে শিক্ষানুষ্ঠানৰ পৰা শিক্ষাগ্ৰহণকাৰী বিদ্যাৰ্থী সকলৰ মাজৰ পৰা অনেক শিক্ষা-নেতা, ৰাজনৈতিক নেতা, গবেষক, সমাজবিজ্ঞানী, আইনজ্ঞ, উদ্যোগী, ডাক্তৰ, ইঞ্জিনিয়াৰ আদি ৰূপে সমাজত

বিশেষ স্থানত আসীন হৈ সমাজৰ হিতাৰ্থে কাম কৰি থকাৰ অলেখ নজিৰ আছে।

আমাৰ সমাজখন ইতিমধ্যে শিক্ষাৰ ক্ষেত্ৰত পিছুৱাই থকা বাবে এক নেতিবাচক মানসিকতা প্ৰকট হৈ থকা দেখা যায়। এনে প্ৰৱনতা হেতু অধিকাংশ লোকৰ সমাজৰ প্ৰতি দায়বদ্ধতা তেনেই সীমিত ৰূপত প্ৰতিফলিত হোৱা দেখা যায়। অজ্ঞতা আৰু সীমিত দায়বদ্ধতাৰ কাৰণে প্ৰতি গৰাকী অভিভাৱকে নিজৰ সন্তানৰ বাবে একো কৰিব নোৱাৰাৰ উপৰি ওচৰ চুবুৰীয়াৰ সন্তানৰ প্ৰতিও গা এৰা দিয়াৰ প্ৰৱণতা দেখা যায়। অনেক ক্ষেত্ৰত ওচৰ চুবুৰীয়াৰ সন্তানৰ বাবে কিবা কৰি দিয়াৰ ইচ্ছা থাকিলেও দিহা নাপায়। এহাতে অজ্ঞতা আৰু আনহাতে জনসম্পদৰ নিম্ন ভিন্ন মুখিতাই আমাৰ অনুজ সকলক এক "বিদ্যায়তনিক নিঠৰুৱা" ত নিমজ্জিত কৰা দেখা যায়। বিদ্যায়তনিক নিঠৰুৱা শব্দ দুটিৰে এনে এক অৱস্থাৰ কথা বুজোৱা হৈছে য'ত আমাৰ সন্তানে কি পঢ়িব, কিয় পঢ়িব, কেনেকৈ পঢ়িব আদিৰ সঠিক দিহা দিওঁতা নাই। পিতৃ-মাতৃ বা অভিভাৱক নাথাকিলে যিদৰে সন্তান নিঠৰুৱা হয় সেইদৰে ঘৰত বা ওচৰ চুবুৰীয়াৰ মাজত শিক্ষাৰ দিশ নিৰ্ণায়ক নাথাকিলে শিক্ষাৰ্থী বিদ্যায়তনিক নিঠৰুৱা হৈ পৰে। পুৰ্ব্বৰে পৰা শিক্ষা আহৰণৰ প্ৰত্যাহ্বান সমূহ আঁকোৱালি নোলোৱা বাবে আজিও আমাৰ সমাজত এই ব্যাধিটো বিদ্যমান। শিক্ষাৰ উপযুক্ত বিস্তাৰ নোহোৱা বাবে আজিও আমাৰ গাঁও সমূহত নিয়োগযোগ্য পঠনীয় দিশ, শিক্ষাৰ্থীৰ নিৰ্দ্দিষ্ট জৰুৰী বিষয় যেনে অংক, ইংৰাজী, বিজ্ঞান, ভূগোল, ইতিহাস আদি বিষয়ৰ ক্ষুদ্ৰ ধাৰণা দিব পৰা ব্যক্তিৰ বাৰুকৈ অভাৱ। বিদ্যায়তনিক এনে দৈন্যই জিজ্ঞাসু অনেক ছাত্ৰ-ছাত্ৰীক বিদ্যায়তনিক নিঠৰুৱাত নিমজ্জিত কৰাৰ উপৰি তেওঁলোকৰ প্ৰতিভা বিকাশৰ পথ প্ৰশস্ত কৰিব পৰা নাই। এনে পৰিপ্ৰেক্ষিতত সামাজিক স্বেচ্ছামূলক অনুষ্ঠানৰ বাৰুকৈয়ে প্ৰয়োজন। কিয়নো ভিন্ন মুখী মানৱসম্পদ গঢ়াৰ স্বাৰ্থতেই সংগঠিত ৰূপত নৱ প্ৰজন্মক কাউঞ্চেলিঙৰ আওটিত অনাটো জৰুৰী হৈ পৰিছে।

সমাজৰ পুৰুষ-নাৰী উভয়ৰে সাধাৰণ শিক্ষাৰ প্ৰয়োজনীয়তাৰ সমান্তৰাল ভাবে প্ৰত্যেকৰ বাবে ইছলামৰ মৌলিক জ্ঞান আহৰণ অৱশ্যকৰণীয়।

ইছলামৰ পাঁচটা ভেটিৰ ধাৰণাৰ শিক্ষা আনুষ্ঠানিক বিদ্যাৰম্ভৰ সমান্তৰালভাবে প্ৰদান কৰিলেহে সন্তানৰ আচৰণত ইছলামিক আচাৰ-আচৰণৰ প্ৰভাৱ থাকি যায়। সেইবাবে আমাৰ গ্ৰাম্য জীৱনত থকা মোক্তাৱ পৰম্পৰা উজ্জীৱিত কৰি ৰখা জৰুৰী। আধ্যাত্মিক চেতনাৰ উত্তৰণৰ মৌলিক শিক্ষাখিনি অঙ্কুৰতে আৰম্ভ হ'লে পৰবৰ্ত্তী সময়ত যি কোনো বৃত্তিত প্ৰৱেশ কৰিলেও সন্তানে বিপথে পৰিচালিত হোৱাৰ পথ ৰুদ্ধ হৈ থাকে। সাম্প্ৰতিক সময়ত বিশ্বজুৰি সৃষ্টি হোৱা যুৱ মানসিকতাৰ অৱক্ষয় নামৰ ব্যাধিৰ নিৰাময়ৰ ভাল উপায় হ'ল সন্তানক অঙ্কুৰতে ধৰ্ম্মীয় চেতনাৰ শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰণ। মোক্তাৱ শিক্ষা প্ৰচলন প্ৰতি চুবুৰীত প্ৰযোজ্য হৈ আছে যদিও বহুক্ষেত্ৰত অভিভাৱকসকলে অৱহেলা কৰা দেখা যায়। মোক্তাব পৰম্পৰাত আৰবী ভাষাৰ প্ৰাথমিক জ্ঞান আহৰণৰ সুবিধা থাকে। আৰবী ভাষা ৰাষ্ট্ৰ সংঘৰ স্বীকৃত ভাষা বাবে প্ৰত্যেকে ইয়াৰ প্ৰাথমিক ধাৰণা গ্ৰহণ কৰা উচিত। সংস্থাপিক এই ভাষাৰ প্ৰাথমিক জ্ঞানকণে বিশ্বৰ যিকোনো ভাষা আয়ত্বকৰণৰ পথ উজু কৰি তোলে। ইছলামিক বিধি মতে সন্তানক আধ্যাত্মিক বুনিয়াদী শিক্ষা প্ৰদান কৰা অৱশ্যকৰণীয় বুলি স্বীকৃত। এনে বিধান থকাৰ পিছতো আমাৰ সন্তানসকলক এই সুবিধাৰ আউটিৰ ভিতৰত জড়িত কৰি সঠিক পথ দেখুৱাব পৰা নাই। এইখিনি মৌলিক ধাৰণাই আমাৰ সমাজৰ জনসম্পদৰ ভিন্নমুখিতা বৃদ্ধিত পোনপটীয়াকৈ হওক বা আওপকীয়াকৈ হওক ইতিবাচক প্ৰভাৱ পেলাব বুলি বিশ্বাস কৰিব পাৰি।

●●●

# গোৱালপাৰা জিলাৰ আৰ্থিক অৱস্থাৰ এটি অৱলোকন

নামনি অসমৰ অন্যতম ঐতিহ্যপূৰ্ণ আৰু বৈচিত্ৰপূৰ্ণ এখন জিলা গোৱালপাৰা। এই জিলাখন বিভাজিত হৈ সংকুচিত ৰূপ পৰিগ্ৰহ কৰি সম্প্ৰতি ১৮২৪ বৰ্গ কিলোমিটাৰ মাটিকালিৰে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে অৱস্থান গ্ৰহণ কৰি আছে। উত্তৰ দিশত কিয়দাংশ কামৰূপ গ্ৰাম্য জিলা আৰু মহাবাহু ব্ৰহ্মপুত্ৰ, দক্ষিণে মেঘালয় ৰাজ্যৰ পূব-গাৰোপাহাৰ জিলা, পূবে কামৰূপ গ্ৰাম্য জিলা আৰু পশ্চিমে ধুবুৰী জিলাৰ দক্ষিণ শালমাৰা মানকাচাৰ মহকুমাৰে আবৃত এই জিলাৰ মুঠ জন সংখ্যা ১০০৮৯৫৯ গৰাকী (২০১১ চনৰ লোক পিয়ল মতে)। এই জনসম্পদৰ শিক্ষিতৰ হাৰ মাত্ৰ ৬৮.৬৭ শতাংশ।

ক্ষুদ্ৰ আয়তনত কোনো অঞ্চলৰ আৰ্থিক অৱস্থাৰ স্বৰূপ সুকীয়াকৈ অনুধাৱন কৰা কঠিন। আৰ্থিক উত্তৰণৰ প্ৰাথমিক উৎস সমূহ যেনে প্ৰাকৃতিক সম্পদ, ভূমি সম্পদ, জল সম্পদ, শক্তি সম্পদ আদি সকলোতে সমভাবে বণ্টন হৈ নাথাকে বাবে কিছুমান অঞ্চলৰ উত্তৰণ লেহেমীয়া হয় অথবা স্থবিৰ হৈ থাকে।

প্ৰধান আৰ্থ-সামাজিক বুনিয়াদ বা আন্তঃ গাঁথনিৰ সূচল ব্যৱস্থাই দুখীয়া অঞ্চলতো প্ৰাকৃতিক খনিজ সম্পদ আৰু শক্তি সম্পদত ধনী অঞ্চলৰ আৰ্থিক উন্নয়নৰ প্ৰভাৱ পৰা দেখা যায়। উন্নত যাতায়াত-যোগাযোগ, শৈক্ষিক সাংস্কৃতিক সুবিধা, স্বাস্থ্যসেৱা সুবিধা, বিদ্যুৎ জলসিঞ্চন আদিৰ পয়োভৰে কোনো অঞ্চলৰ জনসাধাৰণক ভিন্নমুখী আৰু কৰ্মমুখী কৰি তোলে। কিয়নো এইবোৰ আন্তঃ

গাঁথনিৰ সূচল অৱস্থাই কোনো অঞ্চলৰ আৰ্থিক উত্তৰণ সম্ভাৱনীয়তাৰ আন্তঃ প্ৰবাহ আৰু বহিঃ প্ৰবাহৰ সৃষ্টিৰে উন্নয়ণৰ ঘাই ভেটি জন সম্পদক গতিশীল কৰি তোলে। গতিশীল জন সম্পদ উৎপাদন আৰু উপাৰ্জনৰ পূৰ্ব চৰ্ত বুলি গণ্য কৰা হয়। গোৱালপাৰা জিলাখন প্ৰাকৃতিক খনিজ সম্পদ, শক্তি সম্পদ আদিত দুখীয়া হেতু বৃহৎ বা মজলীয়া উদ্যোগৰ সম্ভাৱনীয়তা তেনেই ক্ষীণ। প্ৰাকৃতিক খনিজ সম্পদ আৰু শক্তি সম্পদ নথকা জিলাখনত সৌ সিদিনালৈ আন্তঃ গাঁথনি তেনেই পিছপৰা আছিল আৰু ইয়াৰ উত্তৰণো লেহেমীয়া আছিল। সেইবাবে কৃষি আৰু কৃষি আনুষঙ্গিক কৰ্মৰাজিহে এই জিলাখনৰ জন সাধাৰণৰ আৰ্থিক উত্তৰণৰ একমাত্ৰ বিকল্প পথ বুলি বিবেচনা কৰা হয়। এনে প্ৰেক্ষাপটত এই জিলাৰ আন্তঃগাঁথনি আৰু আৰ্থিক উন্নয়ন সম্ভাৱনীয়তাৰ পৰ্যালোচনা কৰা উচিত।

অনুকূল ভূ-প্ৰাকৃতিক অৱয়ব, জল সম্পদৰ প্ৰাচুৰ্য্য, কৃষি উদ্যান শস্যৰ উপযোগী জমিৰ পয়োভৰ আদিয়ে গোৱালপাৰা জিলাৰ জনসাধাৰণৰ আৰ্থিক উত্তৰণ ঘটোৱাত অৰিহণা যোগাব পাৰে। এনেবোৰ উৎসৰ মাজেৰে আৰ্থিক বিকাশ ত্বৰান্বিত কৰাত আন্তঃগাঁথনি অতিকৈ জৰুৰী। স্বাধীনোত্তৰ কালত বহু দিনলৈ জিলাখন আন্তঃগাঁথনিত অনুন্নত হৈ থকা পৰিলক্ষিত হৈছিল । অতি সম্প্ৰতি জিলাখনত ব্ৰড্ গজ ৰেল সেৱাৰ সংযোগ, ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথ উন্নয়ণ, নৰনাৰায়ণ সেঁতুৰে ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথ সংযোগেৰে নামনি অসমৰ বাকী জিলাৰ সৈতে সংলগ্ন আৰু গাঁও সমূহৰ সৈতে ঘাইপথ সংযোগ ব্যৱস্থাই ক্ৰমে বজাৰ অৰ্থ ব্যৱস্থাৰ প্ৰসাৰ ঘটাই থকা পৰিলক্ষিত হৈছে। তৎস্বত্বেও ঘাইপথৰ সৈতে ৰেলষ্টেচন সমূহলৈ সূচল সংযোগ ব্যৱস্থা এইখন জিলাত আজিকোপতি হৈ উঠা নাই। এনে অসুবিধাই জনসাধাৰণৰ ৰেল সেৱা উপভোগ কৰাত হেঙাৰ হৈ থকা দেখা যায়। যিয়ে নহওক যাতায়াত ব্যৱস্থাৰ এনে প্ৰসাৰে ক্ৰমে কৃষি, উদ্যান শস্য আৰু আনুষঙ্গিক খণ্ড সমূহৰ বিকাশ ত্বৰান্বিত কৰা পৰিলক্ষিত হৈছে। তদুপৰি সিদিনালৈ সীমিত হৈ থকা বিত্তীয় প্ৰতিষ্ঠান বিশেষকৈ বেঙ্ক আৰু বীমা প্ৰতিষ্ঠানৰ দ্ৰুত সম্প্ৰসাৰণ আৰু জিলাখনত শাখা বৃদ্ধিয়ে ক্ৰমে সেৱা খণ্ডতো প্ৰভাৱ পেলাই থকা দেখা যায়। সেইদৰে বিভিন্ন পৰ্য্যায়ৰ

শিক্ষানুষ্ঠানৰ সংখ্যা বৃদ্ধি আৰু শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধিও মানৱ মূলধনৰ ওপৰত ইতিবাচক প্ৰভাৱ পেলাই থকা পৰিলক্ষিত হৈছে। চিকিৎসা সেৱা বিস্তাৰত এইখন জিলা তুলনামূলকভাৱে অইন জিলাৰ তুলনাত পিছ পৰি আছে যদিও গোৱালপাৰা অসামৰিক চিকিৎসালয়ক ২০০ বিচনাযুক্ত চিকিৎসালয়লৈ উন্নীত ক ৰণ, কেইবাখনো সমূহীয়া স্বাস্থ্য কেন্দ্ৰ স্থাপন আৰু ব্যক্তিগত চিকিৎসালয়ৰ প্ৰসাৰে স্বাস্থ্য সেৱা সুবিধাৰ সূচল কৰিছে বুলি ক'ব পাৰি। এনে প্ৰেক্ষাপটত এই জিলাৰ আৰ্থিক বিকাশ প্ৰভাৱিত কৰিব পৰা সময় সাপেক্ষ কেইটামান সম্ভাৱনীয়তাৰ দিশ আলোকপাত কৰাৰ লগতে এইবোৰৰ সাম্প্ৰতিক স্বৰূপ দাঙি ধৰা হ'ল।

গোৱালপাৰা জিলাৰ জনসাধাৰণৰ আৰ্থিক উন্নয়ণৰ ঘাই উৎস কৃষি আৰু কৃষি আনুষংগিক খণ্ড বুলি ইতিমধ্যে প্ৰমাণিত হৈছে। মুঠ জন সম্পদৰ ৮৬.৩৪ শতাংশ গ্ৰাম্য বসতিপ্ৰধান আৰু তেওঁলোকৰ জীৱিকাৰ ঘাই উৎস কৃষি কাৰ্য্য। এই জিলাৰ মুঠ শ্ৰম শক্তিৰ প্ৰায় ৫৫ শতাংশ লোক পোনপটীয়াকৈ কৃষিৰ সৈতে জড়িত আৰু বাকী সমূহ ক্ৰমে কৃষি-শ্ৰমিক, প্ৰান্তীয় শ্ৰমিক আৰু গৃহ শিল্প শ্ৰমিক। গ্ৰাম্যঞ্চলৰ জনসাধাৰণৰ বৃহৎ সংখ্যক গৃহস্থ কৃষিৰ সৈতে জড়িত যদিও কৃষি জমিৰ সংকুচিত পৰিমান আৰু জলসিঞ্চনৰ ব্যৱস্থা নথকা হেতু অধিক উৎপাদনক্ষম আৰু ভিন্নমুখী কৃষি কাৰ্যৰ বিস্তাৰ আশাব্যঞ্জক হোৱা নাই। উল্লেখযোগ্য যে জিলাখনৰ মুঠ ১০৮৪৬৭ হেক্টৰ কৃষি জমিৰ মাত্ৰ ২৯২০৩ হেক্টৰ জমিতহে একাধিক বাৰ কৃষিশস্য উৎপন্ন কৰা হয়। ইয়াৰ মাত্ৰ ১২১৬৭ হেক্টৰ জমিতহে জলসিঞ্চনৰ সুবিধা থকা দেখা যায়। এই জিলাখনত জলসিঞ্চনৰ সুবিধা যথেষ্ট কম আৰু আজিকোপতি কোনো বৃহৎ বা মজলীয়া জলসিঞ্চন প্ৰকল্প গঢ়ি উঠা নাই। সেইবাবে এই জিলাত এতিয়াও বছৰত এবাৰ ৰোপণ পদ্ধতি মুখ্য স্থান পাই আছে। জলসিঞ্চনৰ অভাৱ আৰু বছৰেকত এবাৰ ৰোপণ পদ্ধতি প্ৰৱৰ্ত্তিত হৈ থকা বাবে কৃষি উৎপাদিকা আন বহুতো জিলাৰ উৎপাদিকাতকৈ যথেষ্ট কম হৈ থকা দেখা যায়। সেইবাবে এইখন জিলাত তথাকথিত ঋতুজনিত নিবনুৱাৰ প্ৰকোপ অধিক আৰু কৃষি কৰ্ম নথকা বতৰত ৰাহি হৈ থকা শ্ৰম শক্তিৰ হেঁচা প্ৰাকৃতিক বনজ সম্পদ সংকুচিত কৰি থকা

দেখা যায়। ইয়াৰ পৰিণতিত এসময়ত বনজ সম্পদত চহকী গোৱালপাৰা জিলাৰ দ্ৰুত নিবনানীকৰণ হোৱা পৰিলক্ষিত হৈছে।

গোৱালপাৰা জিলাৰ কৃষি খণ্ডৰ অবিস্তাৰ স্বত্বেও সাম্প্ৰতিক যাতায়াত-যোগাযোগ ব্যৱস্থাৰ উন্নতি আৰু বজাৰ ব্যৱস্থাৰ প্ৰসাৰে কৃষি আনুষঙ্গিক ৰেচম শিল্পৰ উপৰিও উদ্যান শস্যৰ উৎপাদন, প্ৰক্ৰিয়াকৰণ , হাঁহ-কুকুৰা পালন, মীন পালন আদিৰ দ্ৰুত বিকাশৰ প্ৰচুৰ সম্ভাৱনা থকা দেখা যায়।

২০০৪-০৫ চনৰ এক হিচাপ মতে গোৱালপাৰা জিলাৰ ২৯০ খন গাঁৱক ৰেচম শিল্পৰ বিশেষকৈ এড়ি আৰু মুগা উৎপানকাৰী গাঁও হিচাপে চিনাক্ত কৰণ কৰা হয়। এই ৰেচম গাঁওসমূহৰ ১৫৭৩,২৮০ আৰু ৮৫ টা পৰিয়াল ক্ৰমে এড়ি, মুগা আৰু মালবেৰী উৎপাদনৰ সৈতে জড়িত। অসমৰ জিলা সমূহৰ ভিতৰত মুগা উৎপাদনত ২০০৪-০৫ চনত গোৱালপাৰা জিলা ৫ম স্থান দখল কৰিছিল। ভূ-অবয়ব আৰু অনুকূল জলবায়ুৰ বাবে অধিক উৎপাদনক্ষম মুগা আৰু এড়ি উৎপাদনৰ প্ৰচুৰ সম্ভাৱনা থকা জিলাখনত বিজ্ঞানসন্মত উৎপাদন ব্যৱস্থা গ্ৰহণ কৰিব পাৰিলে লোক সকলৰ আয়ৰ এটি সুচল পথ প্ৰশস্ত হ'ব বুলি বিশ্বাস কৰিব পাৰি।

গোৱালপাৰা জিলাৰ জনসাধাৰণৰ উদ্যান শস্যৰ প্ৰচলন এক সাংস্কৃতিক পৰম্পৰা বুলি জনা যায়। উক্ত পৰম্পৰাৰ আধাৰত ঘৰৰ সৈতে সংপৃক্ত হৈ থকা বাগানবোৰত নানা ধৰণৰ ফলমূল, শাক-পাচলি, উদ্ভিদ শস্য আদি উৎপন্ন কৰা হয়। পৰিবৰ্ত্তিত পৰিস্থিতিত অধিক মূল্য প্ৰদানকাৰী আৰু অধিক উৎপাদনক্ষম উদ্যান শস্যৰ পৰা অধিক আয় অৰ্জন কৰাৰ সুবিধা আহি পৰিছে। উন্নত উৎপাদন পদ্ধতি অৱলম্বনেৰে ব্যৱসায়িক ভিত্তিত নানা ধৰণৰ ফলমূল, ঔষধি উদ্ভিদ, বনজভিত্তিক ক্ষুদ্ৰ আৰু মজলীয়া উদ্ভিদ, ৰবৰ, চাহ, শাক-পাচলি, হাঁহ-কুকুৰা, মীন পালন, প্ৰক্ৰিয়াকৰণ আদিৰ যোগেৰে উদ্যান শস্যত মনোনিবেশ কৰাৰ সময় সমাগত। এইবোৰ কৰ্মত ব্যৱসায়ী ভিত্তিত জড়িত হ'লে এহাতে উপাৰ্জনৰ পথ সুগম হোৱাৰ উপৰিও আনহাতে পৰিৱেশ সংৰক্ষণবো সেৱা আগবঢ়োৱা হ'ব বুলি বিশ্বাস কৰিব পাৰি। ব্যক্তিগত প্ৰচেষ্টাৰ উপৰিও আত্মসহায়ক গোট অথবা স্বেচ্ছাসেৱী সংগঠন আদি ৰূপত উদ্যান শস্য আৰু

উদ্যান আনুষঙ্গিক কৰ্মৰাজি ত্বৰান্বিত কৰিব পাৰি। তদুপৰি অনেক জলাশয় থকা জিলাখনত মীন পালনৰো প্ৰচুৰ সম্ভাৱনীয়তা দেখা যায়। মীন পালনৰ সৈতে হাঁহ কুকুৰা পাম যৌথ ভাবে কৰাৰো যথেষ্ট থল আছে। সূচল বজাৰীকৰণ ব্যৱস্থাৰ আগ্ৰাসনে ওপৰোক্ত আৰ্থিক কাৰ্যবোৰৰ প্ৰচুৰ সম্ভাৱনা কঢ়িয়াই অনা পৰিলক্ষিত হৈছে।

*(বিঃদ্ৰঃ- প্ৰবন্ধত সন্নিবিষ্ট তথ্যসমূহ অসম চৰকাৰৰ পাৰিসাংখ্যিক হাতপুথি, ২০১২ ৰ পৰা লোৱা হৈছে।)*

●●●

# ব'হাগ বিহু ঃ এটি অৰ্থনৈতিক সমীক্ষা

অসমীয়া জাতীয় উৎসৱ বাপতি সাহোন তিনিওটা বিহু প্ৰধানকৈ কৃষি আৰু কৃষি আনুষঙ্গিক উৎপাদন শিল্পৰ সৈতে সম্পৃক্ত। কৃষি কাৰ্যই হওক বা কৃষি আনুষঙ্গিক শিল্প কাৰ্যই হওক, এইবোৰ অৰ্থশাস্ত্ৰৰ দ্বিতীয় মৌলিক বিভাগৰ অন্তৰ্ভূক্ত। তিনিওটা বিহুৰ ভিতৰত ব'হাগ বিহু বা ৰঙালী বিহু উৎসৱ অৰ্থশাস্ত্ৰৰ প্ৰধান বিষয়বস্তু কৃষি আৰু কৃষি অনুষঙ্গিক খণ্ডৰ সৈতে ঘনিষ্ঠভাৱে সম্পৰ্কিত। অৰ্থশাস্ত্ৰৰ পিতৃ আদাম স্মিথে এই শাস্ত্ৰৰ মূল বিষয় 'উপাদান' ধাৰণা প্ৰৱৰ্তন কৰোঁতে ভূমি, শ্ৰম আৰু মূলধন—এই তিনিবিধ উপাদানৰ গুৰুত্বৰ কথা আঙুলিয়াইছিল। অসমৰ গ্ৰাম্য কৃষি আৰু কৃষি আনুষঙ্গিক শিল্পকেন্দ্ৰিক সমাজত আটাইকেইটা উপাদান ৰঙালী বিহু উৎসৱৰ বিভিন্ন পৰম্পৰা, আচাৰ-আচৰণৰ সৈতে সংযুক্ত হৈ আছে। প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল আৰ্থিক কাম-কাজ বা আচাৰ-আচৰণ আদিৰ অৰ্থশাস্ত্ৰীয় প্ৰেক্ষাপট বিশ্লেষণৰ প্ৰচেষ্টা কৰা হ'ল। মানৱ সভ্যতাৰ আদি অৱস্থা অধিকতৰ আধ্যাত্মিক আৰু সংস্কৃতিকেন্দ্ৰিক হোৱা বোবে অদ্যাপি ৰঙালী বিহুৰ পৰম্পৰা ব্যাখ্যা আদৰ্শবাদী (Idealistic) ৰূপত প্ৰাধান্য পোৱা দেখা যায়। এনেবোৰ বিশ্লেষণত জীৱন ধাৰাৰ সৈতে অতিবাস্তৱ বস্তুবাদী (Materialistic) ব্যাখ্যাৰ প্ৰাধান্য কম দেখা যায়। অথচ ৰঙালী বিহুৰ সৈতে জড়িত বিভিন্ন পৰম্পৰা, আচাৰ-আচৰণ আদি আদৰ্শবাদী ভিত্তিৰ উপৰি বস্তুধৰ্মী আৰ্থিক বিষয়ৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ থকা দেখা যায়। কৃষি আৰু শিল্পকৰ্মৰ দ্বাৰা উৎপাদন পাবলৈ প্ৰকৃতিৰ ভূমি (প্ৰধানকৈ মাটিভাগ),

শ্ৰম (শাৰীৰিক আৰু মানসিক), আৰু মূলধন এই উৎসৱৰ সৈতে জড়িত। সেইবাবে অৰ্থনৈতিক দৃষ্টিৰে ৰঙালী বিহু বিশ্লেষণ, সাম্প্ৰতিক বৌদ্ধিক বিকাশৰ যুগত তাৎপৰ্যপূৰ্ণ বুলি বিবেচনা কৰা হয়।

ভূমিত মানুহৰ শাৰীৰিক আৰু মানসিক প্ৰচেষ্টা আৰোপ কৰি কোনো বস্তু বা সেৱা উৎপাদনৰ সৈতে সম্পৰ্কিত হ'লে তাক আৰ্থিক কাম-কাজ বা আচৰণ বুলি অভিহিত কৰা হয়। অৰ্থাৎ আৰ্থিক কাম-কাজৰ দ্বাৰা কোনো বস্তু বা সেৱাৰ উৎপাদন হয়। মানুহৰ লাগতিয়াল বস্তু উৎপাদনৰ বাবে প্ৰয়োজনীয় প্ৰচেষ্টা প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে। প্ৰকৃতিৰ ঋতু পৰিৱৰ্তনৰ পৰিক্ৰমাত বসন্তৰ আগমন আৰু নপানীৰ পৰশে ভূমিভাগক জীপাল কৰি শস্য ধাৰণৰ উপযুক্ততা প্ৰদান কৰে। এনে সন্ধিক্ষণত অসমীয়াৰ আৰ্থিক কাৰ্য বা আচৰণৰ প্ৰস্তুতিৰ পূৰ্ণ সময় আৰু উৎসাহজনক আৰ্থিক আচৰণৰ ধামখুমীয়া ৰঙালী বিহু উৎসৱ ৰূপত পৰিপূৰ্ণভাৱে প্ৰকাশ পায়। প্ৰকৃতিৰ ঋতুমতী  ন সাজ ধৰাৰ ক্ষণত কুলি-কেতেকীৰ মাত, ন কুঁহিপাতৰ আগমন, নানা ফুলৰ সুশোভিত জাতিষ্কাৰ ৰূপ, ভোমোৰাৰ গুণগুণনি, পখিলাৰ ডেও দিয়া নৃত্য আদিৰ জাননী পায়েই অসমীয়া বোৱনীয়ে সাতখন-আঠখন হৈ তাঁতশালত বিহুৱান জোৰে। বিহুৱান বোৱা কাৰ্য শিল্প কাৰ্যৰ উযকৃষ্ট নিদৰ্শন যাক আৰ্থিক পৰিভাষাত কুটীৰ আৰু ক্ষুদ্ৰ শিল্পৰ "হস্ত আৰু বস্ত্ৰ শিল্প" ভাগত অন্তৰ্ভূক্ত কৰা হয়। শ্ৰদ্ধেয় আৰু আপোনজনৰ বাবে বস্ত্ৰ তৈয়াৰ সৌহাৰ্দপূৰ্ণ মানৱীয় সম্পৰ্কৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰাৰ উপৰি নিজৰ আৰু পৰিয়ালৰ বাবে বস্ত্ৰ তৈয়াৰ কাৰ্য আৰ্থিক আত্ম নিৰ্ভৰশীলতাৰ তাৎপৰ্য বহন কৰে। বিহুৰ বতৰত ঢোল-পেঁপা, গগণা, টকা, সুতুলিৰ ৰজনজননিৰ ক্ষণত কৃষকসকলো অৰ্থশাস্ত্ৰত উল্লিখিত মূলধন ক্ৰমে পশুধনৰ আপডালৰ উপৰিও নাঙল, যুঁৱলি, মৈ,বিধাঁ আদি প্ৰস্তুত কৰাত ব্যস্ত হয়। গ্ৰাম্য ভূমিকেন্দ্ৰিক অসমীয়া সমাজৰ সৰহ সংখ্যক কৃষকে এইবোৰ প্ৰস্তুত কাৰ্যত লিপ্ত হৈ সুনিপুন কৰ্ম নৈপুণ্যৰ চানেকি দাঙি ধৰে। এইবোৰ উপাদান সাজি উলিয়াব নোৱাৰা কৃষকে ওচৰ চুবুৰীয়া বা আত্মীয়-কুটুমৰ পৰা সহায় লৈ বিনিময় ব্যৱস্থাৰ নিদৰ্শন দাঙি ধৰে। প্ৰকৃতাৰ্থত এইবোৰ সামগ্ৰী তৈয়াৰ কাৰ্য উ ৎপাদনৰ অন্তৰ্ভূক্ত আৰু ইয়াত শিল্পীসুলভ নিপুণ শ্ৰমৰ আৰ্হি পৰিস্ফুট হয়।

গৰু বিহু অৰ্থাৎ অসমীয়া নৱ বৰ্ষৰ প্ৰথম দিনা খেতি পথাৰত, কৃষি কাৰ্যৰ অপৰিহাৰ্য হালোৱা গৰু আৰু গৃহস্থীৰ পুষ্টিকৰ খাদ্য গাখীৰ দিয়া খীৰতী গাইবোৰৰ বিশেষ যতন লোৱা হয়। এনে পৰিচৰ্যাৰ বাবে পুৰণি বৰ্ষৰ অন্তিম দিনা অৰ্থাৎ চ'ত আৰু ব'হাগৰ সংক্ৰান্তিৰ দিনা লাগতিয়াল উপাচাৰ সমূহ সংগ্ৰহ কৰা হয়। সমাজৰ ডেকা আৰু গৰখীয়াসকলে এই লাগতিয়াল উপাচাৰসমূহ যেনে দীঘলতি, মাখিয়তীৰ পাত, লাও, বেঙেনা, কেঁতকুৰি হালধি, থেকেৰা আদি অতি উল্লাসেৰে যোগাৰ কৰি লয়। প্ৰথম বিহুৰ দিনা শস্য উৎপাদনৰ প্ৰাথমিক মূলধন গৰুৰ মাঙ্গলিক কাৰ্য সম্পাদন কৰি গা ধুৱাই এৰি দিয়া হয়। এই আটাইবোৰ পৰম্পৰাৰ অন্তৰ্নিহিত তাৎপৰ্য অৰ্থশাস্ত্ৰৰ কৃষি উৎপাদন কাৰ্যৰ সৈতে জড়িত।

অসমৰ গ্ৰাম্য ব্যৱস্থাত ব'হাগ বিহুৰ সৈতে সংগতিপূৰ্ণ খাদ্য সম্ভাৰ, পোছাক পৰিচ্ছদ, মূলধনী সা-সৰঞ্জাম, আমোদ-প্ৰমোদৰ সৰঞ্জাম সমন্বিতে সংস্কৃতিৰ লগত সম্পৃক্ত হৈ থকা সা-সামগ্ৰী প্ৰকৃতাৰ্থত সচ্ছল আৰু আত্মনিৰ্ভৰশীল জীৱন ধাৰাৰ প্ৰতিৰূপক প্ৰতিফলন। মৌচুমী প্ৰধান ভৌগোলিক পৰিৱেশত খেতিৰ প্ৰস্তুতি খাদ্য শস্য উৎপাদনৰ জৰিয়তে স্বনিৰ্ভৰশীল হোৱাৰ দুৰ্বাৰ হেঁপাহৰ ইংগিত বহন কৰে। আমাৰ গ্ৰাম্য জীয়ৰী-বোৱাৰী স্বতঃস্ফূৰ্তভাৱে বয়ন কাৰ্যত লিপ্ত হৈ থাকে। বিহুৱানকে ধৰি গামোচা, পাগ, চেলেং, মেখেলা, চাদৰ আদিৰ উৎপাদনে বস্ত্ৰৰ প্ৰয়োজন পূৰণৰ উপৰিও স্বনিৰ্ভৰশীল প্ৰৱণতাৰ ইঙ্গিত দিয়ে। তদুপৰি এইবোৰ আৰ্থিক কাৰ্যই শিল্পীসুলভ নৈপুণ্যৰ কথা সূচায়। অৱশ্যে সাম্প্ৰতিক পৰিবেশ আৰু পৰিস্থিতিত পৰম্পৰাগত এনেবোৰ আৰ্থিক কাৰ্য সংকুচিত হৈ বিশেষীকৃত ৰূপত মুষ্টিমেয় লোকৰ মাজত সীমিত হৈ ব্যৱসায়িক পৰ্যায়লৈ উন্নীত হোৱা দেখা যায়।

ব'হাগ বিহু বা ৰঙালী বিহুৰ সৈতে জড়িত হৈ থকা আনন্দ-উল্লাসৰ লগত সম্পৰ্কিত বিভিন্ন বাদ্যযন্ত্ৰৰ উৎপাদনৰ সৈতেও অৰ্থনৈতিক আৰু কাৰিকৰী নৈপুণ্য জড়িত হৈ আছে। ঢোল, পেঁপা, গগনা, টকা আদি সামগ্ৰী উৎপাদন কাৰ্যৰ ফল হেতু এইবোৰৰো মৌলিক প্ৰেক্ষাপট অৰ্থশাস্ত্ৰৰ বিষয়ৰ সৈতে জড়িত। বৰ্তমান বাদ্য-যন্ত্ৰ, পোছাক-পৰিচ্ছদ, খাদ্যসামগ্ৰী আদি সকলো লাগতিয়াল

বস্তু বজাৰীকৃত হ'ব ধৰিছে আৰু অনেকৰ ক্ষেত্ৰত সংশ্লিষ্ট সামগ্ৰী উৎপাদনত বিশেষীকৃত হোৱাৰ প্ৰৱণতা আহি পৰিছে।

পৰিৱৰ্তিত পৰিস্থিতিত ১৯৫২-৫৩ চনৰ পৰা বিহু উৎসৱ পথাৰ বা গছৰ তলৰ পৰা সংগঠিত ৰূপত মঞ্চলৈ আগমনৰ ফলস্বৰূপে ব'হাগ বিহুকেন্দ্ৰিক বৃহৎ ব্যৱসায়ৰো প্ৰসাৰ হোৱা পৰিলক্ষিত হৈছে। এই উৎসৱত বিভিন্ন কলাকাৰ, বাদ্যযন্ত্ৰী, বিহুৱতী, বিহুদল আদিৰ আয়ৰ পথো প্ৰশস্ত হোৱা দেখা যায়। বিহু নাচ, বিহুগীত, হুঁচৰি কেন্দ্ৰিক কেছেট, ভিচিডি আদিৰ যোগেও কলা-কুশলী আৰু শিল্পীসকলে যথেষ্ট অৰ্জনৰ সুবিধা লাভ কৰা দেখা যায়। ৰঙালী বিহুত খোৱা খাদ্যৰ পয়োভৰ কম যদিও খাদ্যকেন্দ্ৰিক ব্যৱসায়ৰো সম্প্ৰসাৰণ মন কৰিবলগীয়া। বিহুৰ বতৰত ব্যৱসায় ভিত্তিত আলঙ্কাৰিক কপৌফুলৰ খেতি আৰু কৃত্ৰিম কপৌফুলৰ উ ৎপাদনে ইয়াৰ ব্যৱসায়িক দিশৰ নতুন দিগন্তৰ সুচনা কৰা দেখা যায়। ৰঙালী বিহুকেন্দ্ৰিক প্ৰধান বাদ্যযন্ত্ৰ ঢোলৰ বৰ্দ্ধিত চাহিদাই অসমৰ বিভিন্ন ঠাইত মুচী শিল্পৰ প্ৰসাৰ ঘটাই আছে।

উপৰোক্ত আলোচনাৰ পৰা দেখা যায় যে ৰঙালী বিহুকেন্দ্ৰিক কাৰ্য, আচাৰ-আচৰণ, সাংস্কৃতিক পৰম্পৰা আদি বিষয়বোৰ অৰ্থশাস্ত্ৰৰ মূল বিষয়ৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। সভ্যতা সংস্কৃতিৰ দ্ৰুত বিৱৰ্তন আৰু পৰিবৰ্দ্ধনৰ ফলত ব'হাগ বিহু বা ৰঙালী বিহুৰ মৌলিকতাৰো হানি, পৰিৱৰ্তন বা পৰিবৰ্ধন অৱধাৰিত হৈ পৰিছে। তৎসত্বেও তাত্ত্বিকভাৱে বিচাৰ কৰিলে দেখা যায় যে অৰ্থ সম্পদ জীৱন প্ৰণালীৰ অপৰিহাৰ্য বাবে বাপতি সাহোন ৰঙালী বিহুৰ সৈতেও এইবোৰৰ ঘনিষ্ঠ সম্পৰ্ক বিৰাজমান।

ৰঙালী বিহু অসমীয়াৰ বহল সাংস্কৃতিক ক্ষেত্ৰখনৰ অন্যতম অংগ। সংস্কৃতিৰ মূল বিচাৰি গ'লে কেইবাটাও মতবাদ পোৱা যায় যদিও ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে ব্যাখ্যা কৰা মতে লেটিন Culture শব্দৰ মূলধাতু Col ৰ পৰা উৎপত্তি হোৱা বুলি ধৰিলে ইয়াৰ তাত্ত্বিক প্ৰেক্ষাপট অৰ্থশাস্ত্ৰৰ সৈতে ঘনিষ্ঠ হৈ থকা দেখা যায়। লেটিন Col ধাতুৰ অৰ্থ কৃষি কৰা বা কৰ্ষণ কৰা বা চহ কৰা বা নাঙলেৰে চহ কৰা। এই কৰ্ষণৰ দ্বাৰা যিহেতু উৎপাদন কাৰ্য সম্পাদন হয় আৰু ই অৰ্থশাস্ত্ৰৰ অন্যতম মৌলিক বিষয় সেইবাবে ব'হাগ বিহুৰ

পৰম্পৰাবোৰ অৰ্থশাস্ত্ৰৰ বহিৰ্ভুত নহয়। বিহু কেন্দ্ৰিক সংস্কৃতিৰো আঁতিগুৰি অৰ্থশাস্ত্ৰৰ প্ৰাথমিক খণ্ড অৰ্থাৎ কৃষিৰ লগত ঘনিষ্ঠভাৱে জড়িত আৰু ৰঙালী বিহুৰ আচাৰ-আচৰণো অধিকতৰ অৰ্থনৈতিক বিষয়ৰ লগত সম্পৰ্কিত।

●●●

# সমাজৰ গতিশীলতা আৰু ক্ৰীড়াৰ বৃত্তিমুখিতা

ক্ৰীড়া কলা প্ৰদৰ্শন মানুহৰ সহজাত প্ৰবৃত্তি। মানৱ শিশু এটিৰ জন্মৰ পিছৰ পৰাই হস্তচালন, পদচালন, শৰীৰৰ বিভিন্ন অংগচালন অৱধাৰিত ভাবে হ'ব ধৰে। এই সঞ্চালনসমূহ বিভিন্ন ক্ৰীড়াশৈলীৰে অপৰিশোধিত ৰূপ বুলি কব পাৰি। বয়স বাঢ়ি অহাৰ লগে লগে মানৱ শিশুৰ তমোসিক গুণ প্ৰশমিত আৰু ৰাজসিক গুণৰ প্ৰসাৰ হ'ব ধৰে। ক্ৰমে এই অংগ সঞ্চালনসমূহক সু-শৃঙ্খল আৰু পৰিশোধিত ৰূপত উপস্থাপনেৰে নানা ধৰণৰ আনুষ্ঠানিক ক্ৰীড়াশৈলীৰ জন্ম দিয়া হৈছে। সেইবাবে ক্ৰীড়াশৈলী মানুহৰ আজন্ম আৰু ইয়াক সহজাত প্ৰবৃত্তি বুলি আখ্যা দিব পাৰি। জীয়াই থকাৰ উপকৰণ আহৰণ, আত্মৰক্ষাৰ ব্যক্তিগত আৰু দলগত আচৰণ, খাদ্য সংগ্ৰহ, চিকাৰ কাৰ্য্য আদি মৌলিক বিষয়সমূহক কেন্দ্ৰ কৰি উদ্ভৱ হ'ব ধৰা কৌশলসমূহ পৰিশোধিত আৰু আনুষ্ঠানিকতাৰ বলত বিভিন্ন খেল নাম পৰিগ্ৰহ কৰিছে।

সভ্যতাৰ ক্ৰম বিৱৰ্ত্তনৰ সমান্তৰালকৈ এই ক্ৰীড়া-কলাসমূহ প্ৰাথমিক পৰ্যায়ত বিনোদনধৰ্মী আৰু পৰিশেষত বৃত্তিমুখিতা ৰূপ পৰিগ্ৰহ কৰা দেখা গৈছে। সমাজৰ গতিশীলতাই সাৰ্বিক উত্তৰণ ঘটাই আছে আৰু ক্ৰীড়াকো ক্ৰমে অৱসৰ বিনোদনৰ পৰা বৃত্তিমুখিতালৈ পৰ্যবসিত কৰিছে। ক্ৰীড়াৰ বৃত্তিমুখিতাই সাম্প্ৰতিক সময়ত ক্ৰীড়াকেন্দ্ৰিক একোখন বৃহৎ বজাৰৰ সৃষ্টি কৰিছে। ক্ৰীড়াশৈলীৰ প্ৰদৰ্শন উপযুক্ত আৰ্থিক মূল্য দি উপভোগ কৰা হয় বাবে ক্ৰীড়াৰ গুণগত উন্নয়ন অপৰিহাৰ্য হৈ পৰিছে। ইয়াৰ অৰ্থ এয়ে যে উৎকৃষ্ট গুণসম্পন্ন

ক্ৰীড়াশৈলীৰ গৰাকীয়ে অধিক মূল্য পাব আৰু গুণবিশিষ্ট নহ'লে ই মূল্যহীন হৈ পৰিব। সি যি কি নহওঁক ক্ৰীড়াকেন্দ্ৰিক বজাৰৰ সৈতে সংপৃক্ত হোৱা ক্ৰীড়াবিদকে ধৰি সংশ্লিষ্ট সকলোৰে পৰ্যায়ক্ৰমে বজাৰ ব্যৱস্থাৰ সুফল ভোগ কৰিব।

হাত, ভৰি আৰু শৰীৰৰ বিভিন্ন অংশৰ এক সু-শৃঙ্খল সঞ্চালনৰ যোগে মাৰ্শ্বিয়াল আৰ্টসমূহ যেনে - মল্লযুদ্ধ, কুংফু, কাৰাটে, জুডো আদি ব্যক্তিগত শাখাৰ ক্ৰীড়াৰ উদ্ভাৱন হৈছে। একেদৰে শৰীৰৰ বিভিন্ন অংগৰ এক নিয়মকেন্দ্ৰিক সঞ্চালনেৰে পানীত ওপঙি থাকি সাঁতোৰ কলাৰ উদ্ভাৱন হৈছে। ভৰি সঞ্চালনৰ গতিবেগ বৃদ্ধি অৰ্থাৎ দৌৰ-জপিওৱা কৌশলৰ আধাৰত Atheletics ৰ বিভিন্ন খেল উদ্ভাৱন কৰা হৈছে। এইবোৰৰ উপৰিও কালক্ৰমত সহায়কাৰী উপকৰণ বা সঁজুলিৰ ব্যৱহাৰ যোগেও বিভিন্ন ক্ৰীড়া শৈলীৰ উদ্ভাৱন হৈছে। লৰু বা লাঠি, ধনু-কাড়, তৰোৱাল-ঢাল, বন্দুক, বল্লম আদি উপকৰণেৰে অনেক আনুষ্ঠানিক ক্ৰীড়াৰ প্ৰচলন হৈছে। ভৰি, মুৰ, বুকু আদিৰ স্পৰ্শৰে ফুটবল আৰু তাৰ বাবে লাগতিয়াল সঁজুলিৰ প্ৰবৰ্ত্তন হৈছে। সেইদৰে হকী, ভলীৱল, বেচবল, বাস্কেটবল, ক্ৰিকেট আদি কলাসুলভ ক্ৰীড়াৰ প্ৰচলন হৈছে। এইবোৰ ক্ৰীড়াক কেন্দ্ৰ কৰি খেলুৱৈ, প্ৰশিক্ষক, উপকৰণ উৎপাদনকাৰী, খেল প্ৰদৰ্শনথলী নিৰ্ম্মাণকাৰী, মিডিয়া, দৰ্শককে ধৰি সংশ্লিষ্ট সকলোকে লৈ প্ৰতিবিধ খেলকেন্দ্ৰিক বৃহৎ বজাৰৰ সৃষ্টি হৈছে।

এনেবোৰ প্ৰাথমিক ক্ৰীড়া-কলাৰ জৰিয়তে ক্ৰীড়াক এক মানবীয় প্ৰয়োজন বুলি স্বীকৃতি দিয়াৰ পৰম্পৰা কেতিয়াৰ পৰা আৰম্ভ হৈছে তাক ঠাৱৰ কৰা কঠিন। ৰজাদিনীয়া সময়ত দেশ ৰক্ষাৰ হেতু উপযুক্ত যোদ্ধা আৰু নিৰাপত্তাৰক্ষী বাচনিৰ ক্ষেত্ৰত বিভিন্ন ক্ৰীড়া কৌশলসমূহক আধাৰ হিচাপে পৰিগণিত কৰা হৈছিল বুলি জনা যায়। সম্প্ৰতি চৰকাৰী বিভিন্ন বিভাগত বিভিন্ন কামৰ বাবে বিশেষকৈ নিৰাপত্তা শাখাত লোক বাচনিৰ বাবে ক্ৰীড়াশৈলীক অন্যতম মাপকাঠি হিচাপে গণ্য কৰে । বিভিন্ন ক্ৰীড়াবিদক ভাৰতীয় পদাতিক সেনা, নৌ সেনা, বায়ুসেনা আদিত ভৰ্ত্তিকৰণ তাৰেই প্ৰমাণ দাঙি ধৰে।

মানৱ সভ্যতাত আনুষ্ঠানিক ক্ৰীড়াশৈলীৰ প্ৰদৰ্শনৰ ইতিহাস কম পুৰণি

নহয়। খৃষ্টপূৰ্ব্ব ৭৭৬ চনত বিশ্বৰ প্ৰথম আনুষ্ঠানিক ক্ৰীড়া মহোৎসৱৰ পাতনি হয় গ্ৰীচ দেশত। গ্ৰীচৰ অলিম্পিয়া নামৰ ঠাইত অনুষ্ঠিত হোৱাৰ সুবাদতে পৰৱৰ্ত্তী সময়ত এই ক্ৰীড়া মহোৎসৱৰ নাম "অলিম্পিক ক্ৰীড়া" হয়। বিশ্বৰ প্ৰথম আনুষ্ঠানিক ক্ৰীড়া মহোৎসৱৰ অনুষ্ঠানিক ক্ৰীড়া কেৱল মল্লযুদ্ধ, দৌৰ আৰু সাঁতোৰতে সীমিত আছিল আৰু সেই মহোৎসৱে হ'ল বিশ্বৰ প্ৰথম আনুষ্ঠানিক বিনোদনধৰ্মী ক্ৰীড়া মহোৎসৱ। বহু বছৰ বিৰতিৰ পিছত ১৮৯৬ খৃষ্টাব্দৰ পৰা আধুনিক অলিম্পিক ক্ৰীড়া মহোৎসৱৰ আৰম্ভ হয়। তেতিয়াৰ পৰাই ক্ৰীড়া ক্ৰমে বৃত্তিমুখী আৰু বজাৰ মুখী হ'ব ধৰে।

আধুনিক ক্ৰীড়া সু-শৃঙ্খলভাৱে সংগঠিত ৰূপত অনুষ্ঠিত হয় আৰু ই সম্পূৰ্ণ বৃত্তিমুখী ও ব্যৱসায়কেন্দ্ৰিক। কুৰি শতিকাত পাতনি মেলা আধুনিক ক্ৰীড়াসমূহ জটিল নিয়ম কানুনৰ অধীন।এইবোৰ অনুষ্ঠিত কৰা আৰু পৰিচালনাৰ বাবে উন্নত মানৰ সজুঁলি, সহায়কাৰী উপকৰণ, উন্নত জোখ মাখৰ ব্যৱস্থা, উন্নত স্কোৰ পদ্ধতি, বিচাৰ পদ্ধতি ইত্যাদিৰ প্ৰয়োজন। ঔদ্যোগিক উত্তৰণে ক্ৰীড়াক অধিক বৃত্তিমুখী কৰি লৈ গৈ আছে কিয়নো মানুহৰ অধিকতৰ ব্যস্ততাই অৱসৰ বিনোদন চাহিদাৰ বৃদ্ধি ঘটাইছে। সেইবাবে উন্নত মানৰ ক্ৰীড়া কৌশল দৰ্শণেৰে ঔদ্যোগিকভাৱে বিকশিত নাগৰিকে উপযুক্ত মূল্যৰ বিনিময়ত বিজ্ঞানসন্মত অৱসৰ বিনোদন অৰ্থাৎ ক্ৰীড়া বিচাৰে। ক্ৰীড়া কৌশলৰ চাহিদা বৃদ্ধিয়ে দেশসমূহৰ মানৱ সম্পদ বিকাশৰ বাবে ৰখা বাজেটত ক্ৰীড়াও সিংহভাগ স্থান পাই আছে। ক্ৰীড়া শৈলী নিপুণৰ পৰা নিপুণতম পৰ্য্যায়লৈ উন্নীত কৰাৰ বাবে প্ৰয়োজনীয় সাধনা আৰু প্ৰচেষ্টাত বিভিন্ন সংগঠনে অবিৰতভাৱে লাগি থকা দেখা যায়। অনেক দেশত সুনিৰ্দ্দিষ্ট পাঠ্যক্ৰম সহ ক্ৰীড়া শিক্ষানুষ্ঠানো গঢ়ি উঠিছে। সাম্প্ৰতিক বিশ্ব পৰিক্ৰমালৈ চালে দেখা যায়যে উন্নয়নশীল দেশবোৰে বিশেষকৈ আফ্ৰিকীয় দেশসমূহ ক্ৰীড়া ক্ষেত্ৰতে বিশেষীকৃত হোৱাৰ প্ৰচেষ্টা অব্যহত ৰাখিছে। আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ অনেক সৰু বৰ দ্বীপ-দেশ সমূহে খেল জগতত বিশেষ পাৰদৰ্শিতা অৰ্জনৰ বাবে চেষ্টা অব্যাহত ৰাখিছে। সেইবোৰ দেশৰ অনেক ক্ৰীড়াবিদ বিশেষকৈ ফুটবলাৰ আমাৰ ৰাজ্যৰো বিভিন্ন ক্লাৱত অৱস্থান গ্ৰহণ কৰা দেখা যায়।

সমাজৰ গতিশীলতাৰ অনুকূলে দক্ষিণ কামৰূপ অঞ্চলৰ অনেক নহ'লেও ফুটবল খেলৰ উত্তৰণত আৰু বৃত্তিমুখী খেলুৱৈ জন্ম দিয়াত 'বন্দাপাৰা, শাখাতি, ওদালপাৰা ও খাটাজুলি মিলিত স্বাধীনতা দিৱস খেল সমিতি' য়ে যোৱা পঞ্চাশ বছৰে প্ৰভূত অৰিহণা যোগাই আহিছে। এক স্বেচ্ছাসেৱী অনুষ্ঠান ৰূপে উক্ত সমিতিখনে ইমান দীৰ্ঘদিন ধৰি অবিৰতভাৱে স্বাধীনতা দিৱস ফুটবল প্ৰতিযোগিতাখন বৰ্ত্তাই ৰাখিব পৰাটো এক বিৰল ঘটনা। যি সময়ত স্বীকৃতিপ্ৰাপ্ত ক্ৰীড়া সংগঠন আৰু চৰকাৰী পৃষ্ঠপোষকতাত অনুষ্ঠিত অনেক ফুটবল টুৰ্নামেন্ট মৰহি যোৱা পৰিলক্ষিত হৈছে বা চিৰদিনৰ বাবে বন্ধ হৈ পৰিছে তেনে ক্ষেত্ৰত এই সমিতিখনে অতি সীমিত সম্বলেৰে অৰ্ধেক শতিকা জুৰি এই খেল সজীৱ কৰি ৰখাটো সঁচাকৈয়ে প্ৰশংসনীয়। উল্লেখ্য যে ফুটবলৰ সুবাদতে সম্প্ৰতি বন্দাপাৰা আৰু শাখাতি অঞ্চল কেৱল অসমৰে নহয় ভাৰতবৰ্ষৰ ফুটবল মানচিত্ৰত বিশেষ স্থান অধিকাৰ কৰি আছে। ফুটবলৰ প্ৰচলন থকা হেতু এই অঞ্চলৰ সৰহ সংখ্যক যুৱকৰ শাৰীৰিক উপযুক্ততা (Physical Fitness) থকা দেখা যায়। সেইবাবে প্ৰতিবছৰে এই অঞ্চলৰ ফুটবলাৰে ভাৰতৰ প্ৰতিৰক্ষা সেৱাত মকৰল হৈ থকা পৰিলক্ষিত হৈছে।

সকলো প্ৰকাৰৰ খেলৰ সম্ভাবনা থকা বন্দাপাৰা অঞ্চলৰ উন্নত মানৰ বহুমুখী ক্ৰীড়া প্ৰকল্পৰ ব্যৱস্থা কৰি বিজ্ঞানসন্মত প্ৰশিক্ষণ আদিৰ ব্যৱস্থা কৰিব পাৰিলে মানৱ সম্পদৰ উপযুক্ত ব্যৱহাৰ হ'ব বুলি কব পাৰি। ফুটবলৰ উপৰিও বিভিন্ন ক্ৰীড়া শাখাৰ প্ৰসাৰ ঘটোৱাৰ ব্যৱস্থা হাতত লোৱা প্ৰয়োজন। কম ব্যয় সাপেক্ষ আৰু সহজতে যুৱক-যুৱতীক ক্ৰীড়াঙ্গনত জড়িত কৰিব পৰা ব্যক্তিগত আৰু দলগত ক্ৰীড়াৰ প্ৰচলনৰ বাবে স্বেচ্ছাসেৱী অনুষ্ঠান গঢ়ি তোলাৰ প্ৰচেষ্টা অব্যাহত ৰখাটো সময়ৰ আহ্বান হৈ পৰিছে। বিভিন্ন ক্ৰীড়াৰ মহিলা শাখাৰ বিস্তাৰ এই অঞ্চলত হোৱা দেখা নাযায়। মহিলা শাখাৰো সমানে সম্ভাৱনা থকা ক্ৰীড়াসমূহৰ উত্তৰণৰ বাবে চিন্তা-চৰ্চা কৰাৰ লগতে কৰ্মপন্থা হাতত লোৱা উচিত।

** সোণালী সমন্বয় স্মৃতিগ্ৰন্থত প্ৰকাশিত*

●●●